




# গণেশগুৰিত অসামাজিক কাৰ্যকলাপ ৰোধৰ দাবী

## দুঘণ্টীয়া ব্যৱসায়িক প্ৰতিষ্ঠান বন্ধ পালন ঃ প্ৰতিবাদী নাগৰিক সভা

ষ্টাফ ৰিপ'ৰ্টাৰ

গুৱাহাটী, ১৪ জুলাই ঃ গুৱাহাটীৰ হৃদস্পন্দন স্বৰূপ তথা জনতা ভৱনৰ গাতে লাগি থকা গণেশগুৰিত নিশা হ'লেই অসামাজিক চক্ৰৰ দৌৰাত্ম্য বৃদ্ধি হয়। দিছপুৰ আৰক্ষীৰ চকুৰ আগতে এনে ঘটনা দীৰ্ঘদিনৰে পৰা সংঘটিত হৈ আহিছে। ইয়াকে লৈ গণেশগুৰি আৰু ইয়াৰ সংলগ্ন অঞ্চলবোৰৰ সাধাৰণ ৰাইজ আৰু ব্যৱসায়ীসকল অতিষ্ঠ হৈ পৰিছে। ইয়াৰ বিৰুদ্ধে কে'বাটাও সংগঠনে আৰক্ষীৰ উপৰি স্বয়ং মুখ্যমন্ত্ৰীকো অভিযোগ দাখিল কৰিছিল। তাৰ ফলাফল নোলোৱাত আজি স্থানীয় ১০ টা সংগঠনে বৃহত্তৰ গণেশগুৰি নাগৰিক মঞ্চ নামৰ এক যৌথ সংগঠনৰ জৰিয়তে প্ৰতিবাদ সাব্যস্ত কৰাৰ উপৰি নাগৰিক সভাৰো আয়োজন কৰে। প্ৰতিবাদৰ অংশস্বৰূপে আজি গণেশগুৰিৰ সকলো ব্যৱসায়িক প্ৰতিষ্ঠান পুৱা ১১ বজাৰ পৰা দুপৰীয়া এক বজালৈ বন্ধ ৰখা হয়। তদুপৰি গণেশগুৰি চাৰিআলিত এখন নাগৰিক সভাৰো আয়োজন কৰা হয়। এই সভাত বৃহত্তৰ গণেশগুৰি অঞ্চলত একাংশ লোকে সৃষ্টি কৰা উচ্ছৃংখল পৰিৱেশ আৰু বিভিন্ন অসামাজিক কাৰ্য বন্ধ কৰাৰ দাবী উত্থাপন কৰা হয়। ইয়াৰ লগতে গণেশগুৰিৰ পদপথসমূহৰ পথচাৰীৰ বাবে সুচল জাতীয় ব্যৱস্থা গঢ়ি তোলাৰো দাবী জনোৱা হয়। নাগৰিক মঞ্চৰ অন্তৰ্ভুক্ত দল-সংগঠনকেইটা হ'ল দিছপুৰ ছাত্ৰ সন্থা, দিছপুৰ মহাবিদ্যালয় ছাত্ৰ একতা সভা, বৃহত্তৰ গণেশগুৰি মহিলা সমিতি, দিছপুৰ কছাৰী বস্তি বড়ো মহিলা সমিতি, গ্ৰেটাৰ দিছপুৰ চেম্বাৰ অৱ কমাৰ্চ, গণেশগুৰি কমাৰ্চিয়েল এছ'চিয়েছন, গণেশগুৰি ৰঙালী বিহু সন্মিলন, গণেশগুৰি ক্ৰীড়া-সাংস্কৃতিক যুৱ মঞ্চ আৰু দিছপুৰ বাৰোৱাৰী পূজা সমিতি জ্যোতি কলা কেন্দ্ৰ। নাগৰিক সভাত বক্তাসকলে তেওঁলোকে ইতিমধ্যে যি স্মাৰকপত্ৰ মুখ্যমন্ত্ৰী-আৰক্ষীক দাখিল কৰিছিল তাত উল্লেখ কৰাৰ দাবীসমূহ শীঘ্ৰে ৰূপায়ণ কৰিবলৈ আহ্বান জনায়। ৰাইজে অভিযোগ কৰে যে বৃহত্তৰ গণেশগুৰি অঞ্চলত অসামাজিক চক্ৰৰ দৌৰাত্ম্য ক্ৰমে বৃদ্ধি হৈছে। ইয়াৰ ফলত স্থানীয় বাসিন্দাৰ পৰা আৰম্ভ কৰি আৰু নিৰীহ লোকসকল চৰম নিৰাপত্তাহীন পৰিৱেশৰ সন্মুখীন হৈছে। আকৌ পদপথসমূহ নিৰ্বিঘ্নে একাংশ ব্যৱসায়ীয়ে বেদখল কৰাত ৰাইজৰ যাতায়াত সম্পূৰ্ণ ব্যাহত হৈছে। পদপথৰ ব্যৱসায়ীৰ সংখ্যা বৃদ্ধিয়েও অঞ্চলটোৰ পৰিৱেশ বিনষ্ট কৰা বুলি বক্তাসকলে মন্তব্য কৰে।